# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 16-05-2025
**Time :** 18-45 HRS

*Assamese Evening Bulletin*

**Headlines**

-------------------

১।  ৰাজ্যৰ দুগ্ধ উৎপাদন ক্ষেত্ৰক উজ্জীৱিত কৰন, আই চি টি শিক্ষকৰ মাহিলী মাননী বৃদ্ধিকে ধৰি কেইবাটাও সিদ্ধান্তত অসম মন্ত্ৰীসভাৰ অনুমোদন।

২।  বিশিষ্ট কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ আজি আবেলি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান।

৩।  বিজেপিৰ ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী আজিও ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত।

৪।  অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি কাৰ্গিল যুদ্ধৰ সেনানী উইং কমাণ্ডাৰ শেখৰ ৰছিদ হাজৰিকাৰ অভিমত। *আৰু*

৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী খেলসমূহ কাইলৈৰ পৰা পুনৰ অনুষ্ঠিত।

০০০০০০০

ৰাজ্যৰ দুগ্ধ উৎপাদন ক্ষেত্ৰক অধিক উজ্জীৱিত কৰি তোলাৰ লক্ষ্যৰে অসম মন্ত্ৰীসভাই ৰাণীৰ ফাৰ্ম মেনেজমেণ্ট প্ৰতিষ্ঠানৰ ২০ বিঘা ভূমি আমূল কোম্পানীক লীজত দিয়াৰ বাবে অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ হিতাধিকাৰীৰ মাজত বিতৰণৰ বাবে অনুমোদন জনায়। অসমত ব্যক্তিগতখণ্ডৰ বিনিয়োগক উৎসাহিত কৰি নিয়োগৰ সুযোগ সৃষ্টিৰ বাবে মন্ত্ৰীসভাই আই আই পি এ অধীনত দুটাকৈ প্ৰস্তাৱত অনুমোদন জনায়। তদুপৰি ড০ বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচীৰ অধীনত এহেজাৰ ৩১৩ গৰাকী অংশকালীন আই চি টি শিক্ষকৰ মাহিলী মাননী অহা অক্টোবৰৰ পৰা ২০ হাজাৰ টকালৈ বৃদ্ধিৰ অনুমোদন জনায়। মন্ত্ৰীসভাই তেওঁলোকক ৬০ বছৰ বয়সলৈ সেৱা প্ৰদানৰ নিশ্চয়তা দিয়ে। ইয়াৰ ফলত তেওঁলোক মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনা, আপোন ঘৰ আৰু আপোন বাহন আঁচনীৰ বাবে যোগ্য বিবেচিত হ'ব।

মন্ত্ৰীসভাৰ বৈঠকৰ পাছতে অনুষ্ঠিত এখন সংবাদ মেলত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত এইদৰে কয়-

*(বাইট ঃ ৰণজিৎ কুমাৰ দাস)*

০০০০০

বিশিষ্ট কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ আজি আবেলি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৩ বছৰ। সৰা পাতে পাতে ফাগুন নামে, জোনাক নাছিল বনত, মন মোৰ উৰি ফুৰে, যেতিয়া জোনাক নামিছিল, মাথো এজাক বৰষুণ আদিকে ধৰি বহুকেইটা জনপ্ৰিয় গীতেৰে জনসাধাৰণক মোহাচ্ছন্ন কৰা গায়ত্ৰী হাজৰিকাই

২০২১ চনত ৰত্নাকৰ বোলছবিৰ **ৰাতি ৰাতি** শীৰ্ষক গীতটোৰ বাবে শ্ৰেষ্ঠ কণ্ঠ শিল্পীৰ প্ৰাগ চিনে এৱাৰ্ড লাভ কৰিছিল। তেওঁ বৈদেহি, ৰ'দালি, দামিনি, পৰিনিতা, আপ্লনা আদি অসমীয়া চিৰিয়েলৰ শীৰ্ষ গীততো কণ্ঠদান কৰিছিল। যোৱা বছৰ মুক্তি পোৱা অসমীয়া ছবি **সুন্দৰপুৰ কেঅছ**ৰো তেওঁ অন্যতম প্ৰযোজক আছিল। গুৱাহাটীৰ তাৰিণি চৌধুৰী ছোৱালী হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰা গায়ত্ৰী হাজৰিকাই কলিকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা সংগীতত স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ পৰা সংগীতৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ১৯৯২ চনতে আকাশবাণী গুৱাহাটী আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰত শিশু শিল্পী হিচাপে গীত পৰিৱেশন কৰা গায়ত্ৰী হাজৰিকা আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী আছিল। শিল্পীগৰাকীৰ নশ্বৰ দেহ গীতানগৰ বিহুতলিলৈ অনা হৈছে আৰু ইয়াত সাংস্কৃতিক জগতৰ ভালেসংখ্যক কৰ্মী আৰু গুণমুগ্ধই তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি বিভিন্নজনে শিল্পীগৰাকীৰ মৃত্যু গভীৰ শোক প্ৰকাশ কৰিছে। আজি সন্ধিয়া নৱগ্ৰহ শ্মশানত শিল্পীগৰাকীৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব। গায়ত্ৰী হাজৰিকাৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতত শোকৰ ছাঁ পৰিছে।

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধৰ আন এগৰাকী নায়ক শিৱসাগৰ জিলাৰ অৱসৰপ্ৰাপ্ত উইং কমাণ্ডাৰ শেখৰ ৰছিদ হাজৰিকাক। বায়ু সেনা বাহিনীৰ যুদ্ধ বিমানৰ অভিযন্তা হাজৰিকাই কিদৰে কাৰ্গিলক পাকিস্তানৰ হাতৰ পৰা উদ্ধাৰৰ অভিযান চলোৱা হৈছিল সেই বিষয়ে আমাৰ শিৱসাগৰৰ সংবাদদাতাৰ আগত এনেদৰে কয়-

*(বাইট)*

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীৰ সৈতে অপাৰচেন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে এটা বাৰ্তালাপ  প্ৰচাৰ কৰিব। পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।  এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

অপাৰেচন সিন্দুৰৰ সফলতা উদযাপন কৰি বিজেপিয়ে আয়োজন কৰা ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে। পশ্চিম কাৰ্বি আংলং জিলাত আজি জিলা বিজেপিৰ সভাপতি  ৰদীপ ৰংহাঙৰ নেতৃত্বত জিলা সদৰ হামৰেন ছয়আলিৰ পৰা নতুন বজাৰলৈ ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰোৰ নেতৃত্বত ভকচঙত বিশাল ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়।

ডিব্ৰুগড় জিলাত আজি প্ৰবল বৰষুণকো নেওচি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত সহস্ৰাধিক লোকে ত্ৰিৰংগ যাত্ৰাত ভাগ লয়। চৌকিদিঙি খেলপথাৰৰ পৰা উলিওৱা এই যাত্ৰাৰ আৰম্ভণিতে শ্ৰী সোণোৱালে সেনা বাহিনীৰ পৰাক্ৰম আৰু শৌৰ্যৰ  প্ৰতি সন্মান জনাই দেশজুৰি ত্ৰিৰংগ যাত্ৰা ৰূপায়ণ কৰাৰ কথা উল্লেখ কৰে। এই বিজয়ৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীৰ সবল নেতৃত্ব আৰু সেনা বাহিনীৰ বীৰত্বৰ শলাগ লয়।

*(বাইট ঃ সৰ্বানন্দ সোণোৱাল)*

এই যাত্ৰাত মন্ত্ৰী বিমল বৰা, লাহুৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰকে ধৰি দলৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

জিলাখনৰ চাবুৱাৰ বিন্ধাকতাতো আজি ত্ৰিৰংগ যাত্ৰাত শতাধিক লোকে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ দেশপ্ৰেমমূলক গীত আৰু ধ্বনিৰে দেশমাতৃৰ বন্দনা কৰে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাতশিঙিমাৰীত উলিওৱা ত্ৰিৰংগ যাত্ৰাত জিলা বিজেপিৰ সভাপতি ৰঞ্জীত কুমাৰ সাহাকে ধৰি অন্যান্য কাৰ্যকৰ্তাসকলে ভাগ লয়।

০০০০০

উত্তৰ পূৱ উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আজি গুৱাহাটীত উপস্থিত হৈছে। বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীসিন্ধিয়াই পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু ইয়াৰ মিত্ৰদলৰ প্ৰাৰ্থীক বিপুল ভোটত জয়যুক্ত কৰাৰ বাবে অসমৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনে প্ৰগতি আৰু উন্নয়নৰ পথত আগবাঢ়ি গৈ আছে। সিন্ধিয়া কেন্দ্ৰীয় মন্ত্ৰীগৰাকী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এখন পৰ্যালোচনা বৈঠকত ভাগ লোৱাৰ কথা।

০০০০০

নাগালেণ্ডৰ লংলেং জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ য়ংলক ৰাজহুৱা খেলপথাৰত আজি অসম আৰু নাগালেণ্ডৰ মাজত সাংস্কৃতিক বিনিময়ৰ এক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক আৰু সমন্বয় অধিক মজবুত কৰাৰ উদ্দেশ্যে দিনযোৱা কাৰ্যসূচীৰে আয়োজন কৰা এই কাৰ্যসূচীত নাগালেণ্ডৰ তামলু বিধানসভা সমষ্টিৰ বিধায়ক, লংলেং বিধানসভা সমষ্টিৰ বিধায়ক, অসমৰ নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াৰ লগতে লংলেং আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ বহুকেইজন বিষয়া আৰু ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অসমৰ বিহু হুছৰি আৰু জেং বিহু নৃত্য প্ৰদৰ্শন কৰা হয়। ইপিনে, নাগালেণ্ডৰ বহুকেইটা সাংস্কৃতিক দলে তেওঁলোকৰ ঐতিহ্যমণ্ডিত লোকনৃত্যৰ মাধ্যমেৰে নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰে।

০০০০০

অসম লোকসেৱা আয়োগে ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে সফলভাৱে আবেদন দাখিল কৰা প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। আয়োগৰ ঘোষণা অনুসৰি মুঠ ৫৭ হাজাৰ ২২২ খন আবেদন প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে বৈধ ঘোষণা কৰা হৈছে। প্ৰাৰ্থীসকলে www.apsc.nic.in ৱেবছাইটত নিজৰ নামসমূহ পৰীক্ষা কৰিব পাৰিব।

০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজৰ সংঘৰ্ষৰ বাবে সাময়িকভাৱে স্থগিত ৰখা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। যোৱা ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব।

ooooo

ছিপাঝাৰ বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মহেন্দ্ৰ নাথ ভট্টাচাৰ্যৰ আজি বিয়লি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ।

ooooo

ডিব্ৰুগড় জিলাৰ লাহুৱাল চাংমাই গাঁৱৰ নিবাসী অসম আন্দোলনৰ নেতা তথা বেলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসপ্ৰাপ্ত শিক্ষক কিৰণ গগৈৰ আজি নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৯ বছৰ। সমাজকৰ্মীগৰাকীৰ মৃত্যুত চাবুৱাৰ বিধায়ক, সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। প্ৰয়াত গগৈৰ পৈতৃক গৃহ নাহৰসাঁকোত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত মায়ামৰা ধৰ্মীয় ৰীতিৰে তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ